# Krishna Kanta Handiqui State Open University
## MA 4th Sem. Examination, 2014

বিষয় ঃ অসমীয়া কাকত ঃ ত্ৰয়োদশ

লিপি আৰু পাঠ সমীক্ষা

সময় ঃ ৩ ঘণ্টা মুঠ নম্বৰ ঃ ৮০

১। তলৰ যিকোনো ৫টা প্ৰশ্নৰ উত্তৰ লিখক ২×৫ = ১০

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) ভাৰতীয় লিপিৰ উদ্ভৱৰ কালছোৱাত সিন্ধুলিপিৰ পিছত কি দুই প্ৰকাৰৰ লিপি পোৱা যায়?

(খ) ব্ৰাহ্মী আৰু খৰোষ্ঠী লিপিৰ নিদৰ্শন থকা অশোকৰ যিকোনো দুখন অনুশাসনৰ নাম উল্লেখ কৰক।

(গ) উমাচল শিলালিপিখন কোনে প্ৰথমতে আৱিষ্কাৰ কৰে? ফলিখনত মুঠ কিমানটা আখৰ পোৱা যায়?

(ঘ) 'Syllable' শব্দটো গ্ৰীক ভাষাৰ কি শব্দৰপৰা ওলাইছে? Syllable ৰ ব্যুৎপত্তিগত অৰ্থ কি?

(ঙ) অসমীয়া ভাষাৰ পাঠ-সমীক্ষা পদ্ধতিৰে সম্পাদনা কৰা প্ৰথমখন পুথি কি? এই পুথিখন কোনে সম্পাদনা কৰে?

(চ) কৃষ্ণকান্ত সন্দিকৈয়ে পাঠ-সমীক্ষাত্মক পদ্ধতিৰে সম্পাদনা কৰা দুখন গ্ৰন্থৰ ৰচকসহ নাম লিখক।

(ছ) প্ৰথম অসমীয়া ছপা গ্ৰন্থখন কি? গ্ৰন্থখন কি মূল পুথিৰপৰা কাৰ দ্বাৰা অনুবাদ কৰি কেতিয়া ছপা কৰি উলিওৱা হৈছিল?

২। তলৰ যিকোনো ৩টা প্ৰশ্নৰ উত্তৰ লিখক ৪×৩ = ১২

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) ভাস্কৰ বৰ্মাৰ ডুবি আৰু নিধানপুৰ তাম্ৰশাসনৰ বিষয়ে একোটিকৈ টোকা প্ৰস্তুত কৰক।



(খ) সাহিত্যৰ বুৰঞ্জীৰ সঠিক তথ্য নিৰূপণত পাঠ-সমীক্ষা পদ্ধতি সহায়কনে? বিষয়টো বিচাৰ কৰক।

(গ) পুৰণিপুথিৰ লেখন সামগ্ৰী— এই বিষয়ে এটি তথ্যপূৰ্ণ টোকা যুগুত কৰক।

(ঘ) খ্ৰীষ্টিয় পঞ্চমৰপৰা ত্ৰয়োদশ শতিকাৰ মাজৰ ৮ খন অসমীয়া লিপিৰ নাম উল্লেখ কৰক।

(ঙ) উপেন্দ্ৰনাথ গোস্বামীয়ে অসমীয়া লিপিক কেইটা ভাগত ভাগ কৰিছে? প্ৰতিটো ফুাৰ সময়সহ নামবোৰ উল্লেখ কৰক।

৩। তলৰ যিকোনো ৩টা প্ৰশ্নৰ উত্তৰ লিখক ৬×৩ = ১৮

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) মধ্যযুগৰ অসমীয়া লিপি সম্পৰ্কে এটি পৰিচয়মূলক বৰ্ণনা দাঙি ধৰক।

(খ) পাঠ-সমীক্ষা কি? পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

(গ) অসমীয়া সাহিত্যত পাঠ-সমীক্ষা পদ্ধতিৰে কিমানখিনি পুথি সমীক্ষিত হৈছে তাৰ এটি আভাস দিয়ক।

(ঘ) পাঠ-প্ৰমাদ কি? কি কি কাৰণত পাঠ-প্ৰমাদ ঘটিব পাৰে, দৃষ্টান্তসহ দাঙি ধৰক।

(ঙ) ভাৰতত পাঠ-সমীক্ষাৰ ক্ৰমবিকাশৰ থুলমূল আভাস দাঙি ধৰক।

৪। তলৰ যিকোনো ৪টা প্ৰশ্নৰ উত্তৰ লিখক ১০×৪ = ৪০

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৪০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) অসমীয়া লিপিৰ ইতিহাস— এই শিতানত এটি চমু নিবন্ধ যুগুত কৰক।

(খ) প্ৰতিটোৰে বৈশিষ্ট্য উল্লেখ কৰি ব্ৰাহ্মী, খৰোষ্ঠী, কুষাণ, গুপ্ত, সিদ্ধমাতৃকা আৰু কুটিল লিপিৰ যিকোনো তিনিটাৰ বিষয়ে আপোনাৰ মতামত দাঙি ধৰক।

(গ) কি কি প্ৰধান চাৰিটা পদ্ধতি অৱলম্বন কৰি পাঠ-সমীক্ষকে পাঠ-সমীক্ষা বিষয়টি সম্পাদন কৰে— তাৰ এটি আলোচনা দাঙি ধৰক।

(ঘ) অসমৰ পুৰণি পুথিৰ পাঠ সমস্যা আৰু ইয়াৰ পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে আপোনাৰ ধাৰণা ব্যক্ত কৰক।

(ঙ) পাঠ-সমীক্ষাৰ ক্ৰমবিকাশ— এই শিতানত এটি প্ৰবন্ধ প্ৰস্তুত কৰক।

(চ) ৰজাঘৰীয়া পৃষ্ঠপোষকতাত খোদিত হোৱা অসমৰ লিপি সম্পৰ্কে এটি টোকা যুগুত কৰক।